**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***:::::::::::::::::::::::::::::::::::***

১। ভাৰত আৰু চাইপ্ৰাছৰ মাজত আজি নতুন দিল্লীত বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডৰ কেইবাখনো চুক্তি সম্পন্ন হয়।
২। বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ৰাজ্যমন্ত্ৰী জীতেন্দ্ৰ সিঙে ভাৰতৰ সম্প্ৰসাৰিত তথ্য কেন্দ্ৰই প্ৰায় এক লাখ অভিযান্ত্ৰিক খণ্ডৰ চাকৰিৰ সুযোগ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰিছে।
৩। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ - চি বি এছ ইৰ দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ তেওঁলোকৰ উত্তৰ বহীৰ স্কেন কপি ডাউনলোডৰ সময়সীমা পুনৰ এদিন অৰ্থাৎ ২৪ মে লৈ বৃদ্ধি কৰিছে।
৪। দেশৰ জ্যেষ্ঠ নাগৰিকসকলৰ সবলীকৰণ আৰু অধিক সুবিধাৰ বাবে চৰকাৰে আজি যুটীয়া আৰু ভাৰ্চুৱেল সহায়ক নেটৱৰ্ক চমুকৈ ***জীৱন*** নামৰ এটা মোবাইল এপ্লিকেছন মুকলি কৰিছে। ***আৰু***
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কিছু সময়ৰ পাছতে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু-ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰত আৰু চাইপ্ৰাছৰ মাজত আজি নতুন দিল্লীত কেইবাটাও গুৰুত্বপূৰ্ণ খণ্ডৰ সন্দৰ্ভত কেইবাখনো চুক্তি সম্পন্ন হয়। এই চুক্তিসমূহৰ জৰিয়তে সন্ত্ৰাসবাদ প্ৰতিৰোধ, অন্বেষণ আৰু প্ৰযুক্তি, উচ্চ শিক্ষা-গৱেষণা আৰু সাংস্কৃতিক সহযোগিতাৰ ক্ষেত্ৰত যুটীয়াভাৱে কাৰ্যকৰী গোট প্ৰতিষ্ঠা কৰাৰ দৰে বিষয়সমূহ সামৰি লোৱা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চাইপ্ৰাছৰ ৰাষ্ট্ৰপতি নিক'ছ ক্ৰিষ্ট'ড'লিদেছে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে আজি বৈঠকত মিলিত হৈ বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত মত বিনিময় কৰে।

বৈঠকৰ অন্তত প্ৰকাশিত যুটীয়া বিবৃতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰত আৰু চাইপ্ৰাছৰ মাজত থকা বন্ধুত্ব কেৱল শক্তিশালীয়েই নহয়, বৰং এই সহযোগিতা ভৱিষ্যতমুখীও। যোৱাটো দশকত চাইপ্ৰাছে ভাৰতত কৰা বিনিয়োগৰ হাৰ দুগুণে বৃদ্ধি পাইছে আৰু অহা ৫ বছৰত দুয়োখন দেশে এই বিনিয়োগ প্ৰবাহ আৰু দুগুণলৈ বৃদ্ধি কৰিব বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে। চাইপ্ৰাছৰ সৈতে থকা প্ৰতিৰক্ষা সহযোগিতাও পূৰ্বৰ তুলনাত যথেষ্ট বৃদ্ধি পোৱা বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। বিবৃতিত চাইপ্ৰাছৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰত আৰু চাইপ্ৰাছৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্ক যোৱা এটা বছৰত উল্লেখনীয়ভাৱে উন্নত হৈছে। বিশেষকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চাইপ্ৰাছ ভ্ৰমণৰ পাছৰে পৰা দুয়োখন দেশৰ মাজৰ অংশীদাৰিত্ব দ্ৰুতগতিত আগুৱাই গৈছে।

উল্লেখযোগ্য যে চাইপ্ৰাছৰ ৰাষ্ট্ৰপতিগৰাকী চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিছে। তেওঁৰ সৈতে দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ কনষ্টানটিন'ছ কম্ব'চ, পৰিবহণ আৰু যোগাযোগ মন্ত্ৰী এলেক্সিছ ভাফেদেছ, শীৰ্ষ বিষয়া

আৰু ব্যৱসায়ী নেতাসকলকে ধৰি উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ এটা দল ভাৰতলৈ আহিছে। শ্ৰী নিক'চে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব।

00000

বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ৰাজ্যমন্ত্ৰী জীতেন্দ্ৰ সিঙে ভাৰতৰ সম্প্ৰসাৰিত তথ্য কেন্দ্ৰৰ খণ্ডই দেশত কৃত্ৰিম বুদ্ধিমত্তা ব্যৱস্থা, কুলিং প্ৰযুক্তি, স্মাৰ্ট গ্ৰীড, নৱীকৰণযোগ্য শক্তি আৰু উন্নত ডিজিটেল আন্তঃগাথনি খণ্ডত প্ৰায় এক লাখ অভিযান্ত্ৰিক চাকৰিৰ সুযোগ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি আমেৰিকাৰ চেম্বাৰ অৱ কমাৰ্চে আয়োজন কৰা বাৰ্ষিক নেতৃত্ব সন্মিলনক সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। তৈলখণ্ডৰ অৰ্থনীতিৰ পিছতে ডাটা কেন্দ্ৰসমূহক অতি গুৰুত্বপূৰ্ণ দিশ বুলি উল্লেখ কৰি শ্ৰীসিঙে কয় যে ডাটা নিয়ন্ত্ৰণ, ডিজিটেল আন্তঃগাথনি আৰু সুৰক্ষিত প্ৰযুক্তি ব্যৱস্থাৰ সৈতে ভৱিষ্যত ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকিব। তেওঁ কয় যে ভাৰত এনে এটা পৰ্যায়ত প্ৰৱেশ কৰিছে য'ত ডাটা কেন্দ্ৰ, কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম প্ৰযুক্তি আৰু পৰৱৰ্তী প্ৰজন্মৰ ডিজিটেল আন্তঃগাথনিয়ে ভৱিষ্যতৰ গোলকীয় অৰ্থনৈতিক দিশ নিৰ্ণয় কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে তথ্য অৰ্থনীতিত এটা কৌশলগত ৰাষ্ট্ৰীয় সুযোগ হিচাপে বিবেচনা কৰে যিয়ে বিনিয়োগ, নিয়োগ, শক্তি ব্যৱস্থা আৰু দশক পূৰ্বৰ ভৌগলিক প্ৰত্যাহ্বানসমূহক প্ৰভাৱিত কৰিব। তেওঁ লগতে কয় যে ভাৰত বৰ্তমান প্ৰযুক্তিগত বিকাশৰ ক্ষেত্ৰত বিশ্বৰ উন্নত ৰাষ্ট্ৰসমূহৰ সৈতে একে শাৰীতে থিয় হৈছে। শ্ৰীসিঙে উল্লেখ কৰে যে ২০৩০ চনৰ ভিতৰত দেশৰ তথ্য কেন্দ্ৰৰ দক্ষতা এক দশমিক ৫ গিগাৱাটৰ পৰা প্ৰায় ৬ দশমিক ৫ গিগাৱাটলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

00000

নিৰ্বাচন আয়োগে আজি দেশৰ দহ খন ৰাজ্যৰ ২৪ খন ৰাজ্যসভাৰ আসনৰ বাবে উপ নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছে। অন্ধ্ৰপ্ৰদেশ, গুজৰাট আৰু কৰ্ণাটকৰ ৪ খনকৈ, ৰাজস্থান আৰু মধ্যপ্ৰদেশৰ তিনিখনকৈ, ঝাৰখণ্ডৰ দুখন আৰু মণিপুৰ, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ এখনকৈ খালী হ'বলগীয়া আসনৰ পৰিপ্ৰেক্ষিতত এই উপ নিৰ্বাচন অনষ্ঠিত হ'ব। আয়োগে প্ৰকাশ কৰা অনুসৰি অহা ১ জুনত নিৰ্বাচনী অধিসূচনা জাৰি কৰা হ'ব আৰু ১৮ জুনত আসনসমূহৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। সেইদিনাই ভোটগণনাও অনুষ্ঠিত হ'ব বুলি আয়োগে জানিবলৈ দিছে।

00000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ - চি বি এছ ইৰ দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ তেওঁলোকৰ উত্তৰ বহীৰ স্কেন কপি ডাউনলোডৰ সময়সীমা পুনৰ এদিন অৰ্থাৎ ২৪ মে' লৈ বৃদ্ধি কৰিছে। ইয়াৰ পূৰ্বে পৰিষদে কাইলৈৰ ভিতৰত উত্তৰ বহী ডাউনলোড কৰাৰ অন্তিম দিন ধাৰ্য কৰিছিল। যোৱা কিছুদিনৰ পৰা পৰিষদৰ ৱেবছাইটত কাৰিকৰী অসুবিধাৰ সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিততে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উত্তৰ বহী স্কেন কপি লাভ কৰাৰ পিছত শিক্ষাৰ্থীসকলে উত্তৰ বহীসমূহৰ পুনৰ নিৰীক্ষণৰ আবেদনৰ বাবে দুদিন লাভ কৰিব বুলি পৰিষদে জানিবলৈ দিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে উনবিংশ ৰোজগাৰ মেলাৰ জৰিয়তে দেশৰ ৫১ হাজাৰৰো অধিক নৱ নিযুক্ত যুৱক-যুৱতীক নিযুক্তি পত্ৰ প্ৰদান কৰিব। এই প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰালয়, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰালয়, অৰ্থনৈতিক সেৱা দপ্তৰ, উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন

মন্ত্ৰালয় আৰু বিভাগত নিযুক্তি লাভ কৰিছে। উল্লেখযোগ্য যে এইবাৰৰ ৰোজগাৰ মেলা দেশৰ ৪৭ টা স্থানত আয়োজন কৰা হৈছে।

অসমতো উত্তৰ-পূৰ্ব সীমান্ত ৰে'লৱেৰ তত্বাৱধানত কাইলৈ গুৱাহাটীৰ মালিগাওঁস্থিত ৰং ভৱন প্ৰেক্ষাগৃহত উনবিংশ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। উত্তৰ পূৰ্ব সীমান্ত ৰেলৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই জনোৱা মতে কাইলৈৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। পুৱা ১০ বজাত আৰম্ভ হ'বলগীয়া অনুষ্ঠানত প্ৰায় ৪০০ নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

00000

দেশৰ জ্যেষ্ঠ নাগৰিকসকলৰ সবলীকৰণ আৰু অধিক সুবিধাৰ বাবে চৰকাৰে আজি যুঁটীয়া আৰু ভাৰ্চুৱেল সহায়ক নেটৱৰ্ক চমুকৈ ***জীৱন*** নামৰ এটা মোবাইল এপ্লিকেছন মুকলি কৰিছে। নতুন দিল্লীত কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে এই মোবাইল এপটো মুকলি কৰে। এই এপৰ জৰিয়তে চৰকাৰী আঁচনি আৰু কল্যানমূলক কাৰ্যসূচীসমূহৰ বিষয়ে তথ্য যোগান, জৰুৰীকালীন সহায়, বৃদ্ধাশ্ৰমৰ বিতং তথ্যৰ লগতে জ্যেষ্ঠ নাগৰিকসকল সৈতে জড়িত বিভিন্ন দিশ আৰু প্ৰয়োজনীয় পদক্ষেপসমূহৰ বিষয়সমূহ নিৰীক্ষণ কৰিব পৰা যাব। জ্যেষ্ঠ নাগৰিকসকলেও যাতে অতি সহজে ব্যৱহাৰ কৰিব পাৰে সেই উদ্দেশ্যে এই মোবাইল এপটো বিশেষভাৱে বিকশাই তোলা হৈছে। মন্ত্ৰীগৰাকীয়ে জ্যেষ্ঠ নাগৰিকসকলৰ শুশ্ৰষা সেৱাৰ দিশটো শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে **শতায়ু** শীৰ্ষক এটা বিশেষ ব্যৱস্থাও ৰাইজৰ বাবে মুকলি কৰে। এই বিশেষ ব্যৱস্থাৰে দেশৰ নাগৰিকসকলৰ সুৰক্ষা, সুৰক্ষা, কল্যান, স্বাস্থ্য সেৱাৰ সুবিধা শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে।

00000

অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাযই কৈছে যে ৰাজ্য চৰকাৰে জনজাতীয় আৰু খিলঞ্জীয়া লোকসকলৰ পৰম্পৰাগত ৰীতি-নীতি আৰু সামাজিক প্ৰতিষ্ঠানসমূহক সম্পূৰ্ণ ৰূপে সুৰক্ষিত কৰি উমৈহতীয়া দেৱানী বিধি প্ৰণয়ন আৰু কাৰ্যকৰী কৰাৰ দিশত কাম কৰিব। ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যক্ৰমণিকাত ভাষণ দি শ্ৰী আচাৰ্যই এইদৰে প্ৰকাশ কৰে। ৰাজ্যপালগৰাকীয়ে ভাষণৰ আৰম্ভণিতে বিধানসভাৰ নৱ-নিৰ্বাচিত অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসক অভিনন্দন জনায়। শ্ৰীদাসে তেওঁৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে জনসাধাৰণৰ স্বাৰ্থত সদনৰ গৰিমা আৰু ঐতিহ্য বৰ্তাই ৰাখিব বুলি ৰাজ্যপালগৰাকীয়ে আস্থা ব্যক্ত কৰে। অসমীয়াত প্ৰদান কৰা এই ভাষণত তেওঁ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকে ধৰি নৱ-নিৰ্বাচিত বিধায়কসকলক শুভেচ্ছা জনায়।

ৰাজ্যপালগৰাকীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ-ইজৰাইল-ইৰানৰ সংঘৰ্ষৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বাবে ল'বলগীয়া ব্যয় সংকোচনৰ ব্যৱস্থা, সীমান্ত সুৰক্ষা আৰু অনুপ্ৰৱেশৰ সৈতে জড়িত বিভিন্ন বিষয়ে আজিৰ ভাষণত উল্লেখ কৰে। শ্ৰী আচাৰ্যই কয়, যে ৰাজ্য চৰকাৰে উমৈহতীয়া দেৱানী বিধি ৰূপায়নৰ বাবে কাম কৰি যাব। তেওঁ লগতে কয়, যে সীমান্তৰ সুৰক্ষা উন্নত কৰাৰ লগতে অনুপ্ৰৱেশ নিয়ন্ত্ৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় আৰু পশ্চিমবংগৰ চৰকাৰৰ সৈতে একেলগে কাম কৰিব। শ্ৰী আচাৰ্যই নতুন চৰকাৰে ২ লাখ চাকৰি প্ৰদান, অধিক বিনিয়োগ আকৰ্ষণ আৰু ৰাজ্যত বিদ্যুতৰ উৎপাদন বৃদ্ধিৰ বাবে কাম কৰিব বুলিও উল্লেখ কৰে।

ৰাজ্যপালগৰাকীয়ে লগতে বিগত ৫ বছৰত দখলিকৃত চৰকাৰী ভূমি আৰু বনাঞ্চল দখলমুক্ত কৰাৰ বাবে চলোৱা উচ্ছেদ অভিযান আগলৈও অব্যাহত থাকিব বুলি জানিবলৈ দিয়ে। ৰাজ্যত বান সমস্যা দূৰ কৰাৰ বাবে ১৮ হাজাৰ কোটি টকা আবণ্টন দিয়া হ'ব বুলি ৰাজ্যপাল আচাৰ্যই আশ্বাস দিয়ে। ৰাজ্যখনে অৰ্থনৈতিক প্ৰগতিৰ ক্ষেত্ৰত

উল্লেখযোগ্য সাফল্য অৰ্জন কৰা বুলি উল্লেখ কৰি শ্ৰী আচাৰ্যই কয়, যে বিগত পাঁচ বছৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন প্ৰায় ১৬ শতাংশৰ বাৰ্ষিক চক্ৰবৃদ্ধি হাৰত বাঢ়িছে। ২০২৮-২৯ বৰ্ষৰ ভিতৰত অৰ্থনীতি ১০ লাখ কোটি টকালৈ বৃদ্ধি পোৱাৰ দিশে অসম অগ্ৰসৰ হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছতে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। টছত জিকি ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে এই দুয়োটা দলৰ লগতে পঞ্জাব কিংছৰ দলটোৱে ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ